# Official Spokesperson’s response to question on elections in Bangladesh(Translation Assamese)

## বাংলাদেশত অনুষ্ঠিত নিৰ্বাচন সন্দৰ্ভত সোধা এক প্ৰশ্নৰ প্ৰতি আনুষ্ঠানিক মুখপাত্ৰৰ সহাৰি ।

জানুৱাৰী ০৫,২০১৪

বাংলাদেশত ৫ জানুৱাৰী তাৰিখে অনুষ্ঠিত নিৰ্বাচন সন্দৰ্ভত সোধা এক প্ৰশ্নৰ প্ৰতি আনুষ্ঠানিক মুখপাত্ৰ গৰাকীয়ে সহাৰি জনায় কয় যে:

“ ৫ জানুৱাৰী তাৰিখে বাংলাদেশত অনুষ্ঠিত নিৰ্বাচন এক নিতান্তই সাংবিধানিক প্ৰয়োজনীয়তা । এইটো বাংলাদেশৰ অন্তৰ্ৱতী আৰু সাংবিধানিক প্ৰক্ৰিয়াৰ এক অংশ ।বাংলাদেশৰ নাগৰিক সকলে তেওঁলোকৰ নিজৰ ভৱিষ্যতৰ বিষয়ে নিজে সিদ্ধান্ত গ্ৰহন কৰাটো আৰু তেওঁলোকৰ ভৱিষ্যতৰ আশা আকাংশাৰ প্ৰতি সহাৰি জনোৱা প্ৰতিনিধি সকলক নিৰ্বাচিত কৰাটো দেশ খনৰ নাগৰিক সকলৰ নিজৰ দায়িত্ব ।যি ধৰনে নিৰ্বাচনী প্ৰক্ৰিয়া আগবাঢ়িছে সেই সম্বন্ধে উল্লেখ কৰিব পাৰি যে হিংসাত্মক কাৰ্য্যকলাপে কেতিয়াও  নিৰ্বাচনৰ সিদ্ধান্ত দিব নোৱাৰে আৰু এনে হোৱা উচিটো নহয় ।বাংলাদেশত গণন্ত্ৰাতিক প্ৰক্ৰিয়াক নিজৰ স্বভাৱিক গতিৰে আগবাঢ়িলৈ দিয়া উচিত ।”

নতুন দিল্লী

জানুৱাৰী ৫,২০১৪